Total number of printed pages-2

**FYUGP/Sem-6/AM-CE1**

# 2026
# Assamese (Core)
## Paper Code : AM-CE-6314
## Paper Name : অসমৰ আৰ্য্য ভিন্ন ভাষা

*Time : 3 hours* *Full Marks : 70*

১। অতি চমুকৈ উত্তৰ লিখা ঃ ১×১০=১০

ক) অষ্ট্ৰিক ভাষাৰ অন্তৰ্গত, অসমত প্ৰচলিত এটি ভাষাৰ নাম লিখা।

খ) কাৰ্বি ভাষাৰ এটা বৈশিষ্ট্য লিখা।

গ) মিচিং ভাষাত 'পুৰুহিত' শব্দটো কি নামেৰে পৰিচিত ?

ঘ) অষ্ট্ৰিক ভাষাৰ এটি বৈশিষ্ট্য লিখা।

ঙ) 'অবনৰী' নামেৰে অসমৰ কোনখন নৈক বুজোৱা যায় ?

চ) অসমত প্ৰচলিত ভাষাসমূহৰ ভিতৰত সবাতোকৈ সুৰ প্ৰধান ভাষাটো কি ?

ছ) ভাৰতীয় সংবিধানৰ অষ্টমসূচীৰ অন্তৰ্ভূক্ত যিকোনো এটা তিব্বত-বৰ্মীয় ভাষাৰ নাম লিখা।

জ) খাচী ভাষা লিখোঁতে কি লিপি ব্যৱহাৰ কৰা হয় ?

ঝ) অসমৰ কোনখন জিলা সৰ্বাধিক কাৰ্বিভাষী লোকৰ বসতিস্থল ?

ঞ) তিৱা ভাষা কোন ভাষা পৰিয়ালৰ অন্তৰ্গত ?

২। চমুকৈ উত্তৰ লিখা ঃ ২×৫=১০

ক) দ্ৰাবিড় ভাষাগোষ্ঠীৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

খ) কালিৰাম মেধিৰ মতে অসমীয়া ভাষাত থকা দুটা দ্ৰাবিড় শব্দ লিখা।

গ) ড° ভীমকান্ত বৰুৱাই নাগামিজ ভাষাৰ বিষয়ে গৱেষণা কৰি প্ৰস্তুত কৰা গৱেষণা গ্ৰন্থখনৰ নাম কি ? গ্ৰন্থখন কিমান চনত ছপা হৈ ওলাইছিল ?

ঘ) অষ্ট্ৰিক ভাষা পৰিয়ালৰ প্ৰধান শাখা কেইটা আৰু কি কি ?

*Contd..*

ঙ) অসমত কি কি অনাৰ্য ভাষা পৰিয়ালৰ ভাষাৰ প্ৰচলন আছে ? ইয়াৰ ভিতৰত কোনটো পৰিয়ালৰ ভাষাৰ সংখ্যা সৰ্বাধিক ?

৩। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ঃ ৫×৪=২০

ক) অসমীয়া ভাষাত দ্ৰাবিড় ভাষাৰ প্ৰভাৱৰ বিষয়ে এটি টোকা লিখা।

খ) অসমীয়া ভাষাত 'সাদ্‌নি' বা চাহ বাগানীয়া ভাষাৰ প্ৰভাৱৰ বিষয়ে লিখা।

গ) চীন তীব্বতীয় ভাষাৰ ১০ টা সাধাৰণ বৈশিষ্ট্য লিখা।

ঘ) স্বাধীন ভাৰতবৰ্ষত বড়ো ভাষাৰ উত্তৰণ কেনেদৰে ঘটিছে চমুকৈ বৰ্ণনা কৰা।

ঙ) চীন-তীব্বতীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত তিব্বত-বৰ্মীয় ভাষা-পৰিয়ালৰ বিভিন্ন শাখা প্ৰশাখাৰ এখন তালিকা প্ৰস্তুত কৰা।

চ) অসমীয়া ভাষাৰ কি কি ধ্বনিতাত্বিক প্ৰভাৱ অসমৰ তিব্বত-বৰ্মীয় ভাষাত পৰিছে চমুকৈ আলোচনা কৰা।

৪। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

ক) 'অসমীয়া ভাষাৰ ৰাজহাড়ডালহে আৰ্য্য ভাষা, তেজ-মঙহ অনা আৰ্য্য ভাষাৰহে' - এই উক্তিটোৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা।

খ) অসমত সিচঁৰতি হৈ থকা চীন-তিব্বতীয় মূলৰ ভাষা সমূহৰ বিষয়ে আলোচনা কৰা। (ৰেখা চিত্ৰৰ সহায়ত ভাষা সমূহৰ মাজৰ সম্পৰ্ক নিৰ্ণয়ৰ চেষ্টা কৰিবা।)

গ) অসমৰ গছ-গছনি, পোক-পতংগ, চৰাই-চিৰিকটি ইত্যাদিৰ নামৰ ক্ষেত্ৰত অনা-আৰ্য্য ভাষাৰ প্ৰভাৱ কেনেদৰে পৰিছে উদাহৰণসহ আলোচনা কৰা।

ঘ) অসমীয়া ভাষাত অনাৰ্য ভাষাৰ কি কি ধ্বনিতত্ত্বমূলক প্ৰভাৱ পৰিছে উদাহৰণসহ আলোচনা কৰা।

ঙ) অসমত প্ৰচলিত তিব্বতবৰ্মীয় ভাষাসমূহক অসমীয়া ভাষাৰ ৰূপতত্বই কিদৰে প্ৰভাৱান্বিত কৰিছে বৰ্ণনা কৰা।

চ) অষ্ট্ৰিক ভাষাসমূহৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

■■■